অসম চৰকাৰ
জিলা আয়ুক্তৰ কাৰ্যালয় ,মাজুলী ,
গড়মূৰ:: মাজুলী::অসম
(ৰাজহ শাখা)

নং.: আৰ.কে.জি/১৬/১/২০২৫-আৰ.ই.ভি-এম.জে.এল/৩৭৫৭-৭৬ তাৰিখঃ ১৪/০৭/২০২৬

## বিজ্ঞাপন

মাজুলী জিলাৰ মাজুলী ৰাজহ চক্ৰ আৰু উজনী মাজুলী ৰাজহ চক্ৰৰ অন্তৰ্গত নিম্ন লিখিত লাট আৰু গাওঁ সমূহত গাওঁপ্ৰধানৰ মৃত্যু আৰু অৱসৰ হোৱাৰ ফলত সৰ্বমুঠ ১০ টা গাওঁপ্ৰধানৰ পদ খালী হৈ থকাৰ পৰিপ্ৰেক্ষিতত উক্ত পদসমূহ পূৰণৰ বাবে উপযুক্ত প্ৰাৰ্থীৰ পৰা আবেদন বিচৰা হৈছে। আবেদনকাৰীয়ে **অসম গেজেটৰ খণ্ড IX ত প্ৰকাশিত প্ৰ-পত্ৰত (Standard Form of Application)** প্ৰয়োজনীয় নথি-পত্ৰসহ অহা ইংৰাজী **১৬/০৭/২০২৬** তাৰিখৰ পুৱা ১০.০০ বজাৰ পৰা **৩০/০৭/২০২৬** তাৰিখৰ বিয়লি ৪.০০ বজাৰ ভিতৰত মাজুলী জিলা আয়ুক্ত কাৰ্যালয়ৰ ৰাজহ শাখাত আবেদন কৰিব লাগিব । আবেদনকাৰীয়ে কোনখন গাঁও আৰু লাটৰ গাঁওপ্ৰধান পদৰ বাবে আবেদন কৰিছে সেই লাট আৰু গাঁও/গাঁওসমূহৰ নাম উল্লেখ কৰাৰ লগতে আবেদনকাৰীৰ ভ্ৰাম্যভাষ নম্বৰ (Mobile Number) স্পষ্টকৈ আবেদনত সন্নিবিষ্ট কৰাটো বাধ্যতামূলক।

| ক্ৰমিক নং | ৰাজহ চক্ৰ | মৌজা | লাট নং | গাওঁ | মাহিলী পাৰিতোষিক |
|---|---|---|---|---|---|
| ১. | মাজুলী ৰাজহ চক্ৰ | আহঁতগুৰি | ৩ | ন-মাটি, শিকলি চাপৰি,হুটাৰ | ১৪,০০০/- |
| ২. | মাজুলী ৰাজহ চক্ৰ | কমলাবাৰী | ৪ | বুঢ়াশেনচোৱা, | ১৪,০০০/- |
| ৩. | মাজুলী ৰাজহ চক্ৰ | কমলাবাৰী | ৪ | ভোগপুৰ সত্ৰ, ভোগপুৰ পথাৰ | ১৪,০০০/- |
| ৪. | মাজুলী ৰাজহ চক্ৰ | কমলাবাৰী | লোহিত খাবলু | গড়মুৰ নগৰ গাঁও, বালিজান, কাম্বং | ১৪,০০০/- |
| ৫. | মাজুলী ৰাজহ চক্ৰ | কমলাবাৰী | ৮ | এলেঙ্গী, বালিচাপৰী | ১৪,০০০/- |
| ৬. | উজনী মাজুলী ৰাজহ চক্ৰ | শালমৰা | ৫ | গায়ন গাঁও | ১৪,০০০/- |
| ৭. | উজনী মাজুলী ৰাজহ চক্ৰ | শালমৰা | ১১ | ভেউচুক কুমাৰবাৰী | ১৪,০০০/- |
| ৮. | উজনী মাজুলী ৰাজহ চক্ৰ | শালমৰা | ২ | বনৰীয়া চাপৰি | ১৪,০০০/- |
| ৯. | উজনী মাজুলী ৰাজহ চক্ৰ | শালমৰা | ৯ | চাউৰেকীয়া | ১৪,০০০/- |
| ১০. | উজনী মাজুলী ৰাজহ চক্ৰ | শালমৰা | ১৩ | দক্ষিণপাট কৈবৰ্ত্ত গাঁও | ১৪,০০০/- |

**আৱশ্যকীয় যোগ্যতাসমূহঃ-**

১) আবেদনকাৰী ভাৰতীয় নাগৰিক হ'ব লাগিব আৰু নিযুক্তি পাবৰ বাবে আবেদন কৰা লাটৰ অন্তৰ্গত গাঁৱৰ অথবা গাওঁ সমূহৰ স্থায়ী বাসিন্দা হ'ব লাগিব ।
২) আবেদনকাৰীৰ বয়স ৩০/০৭/২০২৬ তাৰিখে নুন্যতম ৩০ বছৰ হ'ব লাগিব ।
৩) আবেদনকাৰী অসম চৰকাৰৰ স্বীকৃতিপ্ৰাপ্ত ব'ৰ্ড অথবা অনুস্থানৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব ।
৪) আবেদনকাৰী শাৰীৰিকভাৱে সক্ষম আৰু মানসিকভাৱে সবল হ'ব লাগিব ।
৫) আবেদনকাৰী দেউলীয়া হিচাপে ঘোষিত অথবা চৰকাৰী দেনা পৰিশোধত বিফল ব্যক্তি হ'ব নালাগিব।
৬) নিযুক্তিৰ ক্ষেত্ৰত গাওঁপ্ৰধানৰ পৰিয়ালৰ প্ৰাৰ্থীক অগ্ৰাধিকাৰ দিয়া হ'ব আৰু এই সন্দৰ্ভত মৌজাদাৰৰ মতামত বিবেচনা কৰা হ'ব ।
৭) আবেদনকাৰী চৰকাৰী চাকৰিয়াল হ'ব নালাগিব ।
৮) আবেদনকৃত লাটৰ অন্তৰ্গত গাঁৱ অথবা গাওঁ সমূহত আবেদনকাৰীৰ নিজস্ব নামত ভূমি/স্থাৱৰ সম্পত্তি থাকিব লাগিব ।
৯) আবেদনকাৰী কোনো ৰাজনৈতিক দলৰ সদস্য হ'ব নালাগিব ।
১০) আবেদনকাৰী উচ্চ মৰ্যাদাসম্পন্ন, দক্ষ আৰু সমাজৰ সন্মানীয় স্থিতিত থকা ব্যক্তি হ'ব লাগিব।
১১) আবেদনকাৰী প্ৰাকৃতিক দুৰ্যোগ বা অন্যান্য চৰকাৰী কাৰ্যসূচী ৰূপায়ন কৰাত অংশগ্ৰহণকাৰী তথা চৰকাৰক সহযোগ কৰা ব্যক্তি হোৱাটো বাঞ্ছনীয় ।

১২) আবেদনকাৰী কোনো ধৰনৰ অপৰাধজনিত কাৰ্যত জড়িত থাকিব নালাগিব আৰু আবেদনকাৰীৰ বিৰুদ্ধে কোনো ধৰণৰ ফৌজদাৰী গোচৰ আদি থাকিব নোবাৰিব।
১৩) গাঁওপ্ৰধান পদত ৬৫ বছৰ বয়সলৈকেহে কাম কৰিব পাৰিব ।
১৪) আবেদনকাৰীৰ জীৱন সংগী এজন/এগৰাকীতকৈ অধিক হ'লেও দুটাতকৈ অধিক জীৱিত সন্তানৰ পিতৃ হ'ব নালাগিব। কিন্তু অসম চৰকাৰৰ অধিসূচনা নং আৰ.এল.আৰ.১৮৭/২০০৭/অংশ/২০৪, দিনাংক ১৯/০৭/২০১৯ জাৰি হোৱাৰ পূৰ্বে যিসকল ব্যক্তি দুটাতকৈ অধিক সন্তানৰ গৰাকী হয়, তেওঁলোকৰ ক্ষেত্ৰত এই নীতি প্ৰযোজ্য নহ'ব ।

**আবেদন পত্ৰৰ লগত দাখিল কৰিবলগীয়া প্ৰয়োজনীয় প্ৰমান পত্ৰসমূহ –**

১) স্থায়ী বাসিন্দাৰ প্ৰমাণ পত্ৰ ।
২) বয়স আৰু শিক্ষাগত অৰ্হতাৰ প্ৰমাণ পত্ৰ (অসম চৰকাৰৰ স্বীকৃতিপ্ৰাপ্ত বৰ্ড অথবা অনুস্থানৰ প্ৰমাণ পত্ৰ)।
৩) বাকীজাই দেনামুক্ত প্ৰমাণ পত্ৰ ।
৪) নিৰ্দিষ্ট অঞ্চলত নিজ নামত থকা ভূমি/স্থাৱৰ সম্পত্তিৰ প্ৰমাণ পত্ৰ ।
৫) ভোটাৰ পৰিচয় পত্ৰ / আধাৰ কাৰ্ড ।
৬) দুকপি পাচপৰ্ট আকাৰৰ ফটো ।
৭) দুটাতকৈ অধিক জীৱিত সন্তানৰ পিতৃ নোহোৱাৰ শপতনামা ।
৮) আবেদনকাৰীৰ সন্দৰ্ভত মৌজাদাৰৰ মতামত সম্বন্ধীয় প্ৰমাণপত্ৰ।
৯) আবেদনকাৰীৰ ক্ষেত্ৰত সামাজিক কামৰ অভিজ্ঞতা। (প্ৰমাণপত্ৰ গাঁঠি দিব লাগিব)

আবেদনপত্ৰত প্ৰাৰ্থীসকলে সঠিকভাৱে তেওঁলোকে আবেদন কৰিবলৈ বিচৰা লাট নং আৰু গাঁৱৰ অথবা গাওঁ সমূহৰ নাম উল্লেখ কৰিব লাগিব। অন্যথা তেওঁলোকৰ আবেদনপত্ৰ নাকচ কৰা হ'ব।

আবেদনকাৰীয়ে দাখিল কৰা প্ৰমাণ পত্ৰসমূহ যদি ভূৱা বুলি প্ৰমাণিত হয় তেন্তে তেখেতৰ প্ৰাৰ্থিত্ব তাৎক্ষনিকভাৱে নাকচ কৰাৰ লগতে আইনগত ব্যৱস্থা গ্ৰহন কৰা হ'ব ।

যোগ্য বিবেচিত প্ৰাৰ্থীসকল মৌখিক সাক্ষাৎকাৰত অৱতীৰ্ণ হ'ব লাগিব । সাক্ষাৎকাৰৰ নিৰ্দিষ্ট স্থান আৰু সময় পৰৱৰ্তী পৰ্যায়ত অৱগত কৰা হ'ব।

এই বিজ্ঞাপন চৰকাৰৰ অধিসূচনা নং আৰ.এল.আৰ.১৮৭/২০০৭/৩৯ দিনাংক ১০/০৪/২০১৮, আৰ.এল.আৰ.১৮৭/২০০৭/অংশ/২৪ দিনাংক ১৯/০৭/২০১৯ আৰু আৰ.এল.আৰ.৭৩/২০২০/৩ দিনাংক ২৬/০৮/২০২১ মৰ্মে জাৰি কৰা হৈছে ।

**ইয়াৰ দ্বাৰা পূৰ্বে প্ৰকাশিত বিজ্ঞাপন "আৰ.কে.জি/১৬/১/২০২৫-আৰ.ই.ভি-এম.জে.এল/৩৭১৩-১৮, তাৰিখঃ ০২/০৬/২০২৫" বাতিল কৰা হয় ।**

স্বাঃ/-

Digitally signed by
SRISHTI SINGH
Date: 14-07-2026
16:12:08
জিলা আয়ুক্ত
মাজুলী।

স্মাৰক নং.: আৰ.কে.জি/১৬/১/২০২৫-আৰ.ই.ভি-এম.জে.এল/৬৭৫৭-৭৬ তাৰিখঃ ১৪/০৭/২০২৬

প্ৰতিলিপি:-

১) অতিৰিক্ত মূখ্য সচিব, ৰাজহ ও দুৰ্যোগ ব্যৱস্থাপনা বিভাগ, দিশপুৰ, গুৱাহাটী-৬ ৰ জ্ঞাতাৰ্থে প্ৰেৰন কৰা হ'ল।
২) ভূমিলেক্ষ্য ও জৰীপ অধিকৰ্ত্তা, অসম, ৰূপনগৰ, গুৱাহাটী-৩২ ৰ জ্ঞাতাৰ্থে প্ৰেৰন কৰা হ'ল।
৩) চক্ৰ বিষয়া, মাজুলী ৰাজহ চক্ৰ আৰু উজনী মাজুলী ৰাজহ চক্ৰৰ জ্ঞাতাৰ্থে আৰু বিহিত ব্যৱস্থাৰ্থে প্ৰেৰণ কৰা হ'ল !
৪) জিলা তথ্য আৰু জনসংযোগ বিষয়াৰ জ্ঞাতাৰ্থে প্ৰেৰন কৰা হ'ল । ইয়াৰ দ্বাৰাই তেখেতক এই বিষয়ে বহুলভাৱে প্ৰচাৰ কৰিবলৈ জনোৱা হ'ল ।
৫) জিলা তথ্য বিজ্ঞান বিষয়া, মাজুলী ৰ জ্ঞাতাৰ্থে আৰু বিহিত ব্যৱস্থাৰ্থে প্ৰেৰণ কৰা হ'ল ।
৬) কাৰ্যালয়ৰ জাননী ফলক ।
৭) কাৰ্যালয় কপি।

*(ই-স্বাক্ষৰ/-)*
জিলা আয়ুক্ত
মাজুলী।